# গোৱালপাৰা মহাবিদ্যালয়ত শৈলেনজিৎ শৰ্মাৰ দুখন গ্ৰন্থ উন্মোচন



প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ১৩ জুন ঃ গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি সহযোগী অধ্যাপক শৈলেনজিৎ শৰ্মাৰ ৰচিত দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। উন্মোচনী সভাখনত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে সভাপতিত্ব কৰে। সভাত গ্ৰন্থাকাৰ শৈলেনজিৎ শৰ্মাই গ্ৰন্থ দুখনৰ বিষয়ে ব্যাখ্যা কৰে। 'বিশ্ব-জীৱনী' প্ৰথম খণ্ডৰ গ্ৰন্থখন উন্মোচন কৰে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে আৰু দ্বিতীয়খন গ্ৰন্থ 'প্ৰবন্ধ কৰণি' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা সাংবাদিক দিলীপ শৰ্মাই। সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষ জোতিষ চন্দ্ৰ দাস, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ গুৰুপদ শৰ্মা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ সিদ্ধিনাথ শৰ্মা, বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। সহযোগী অধ্যাপক ড° যুগব্ৰত দাসে আঁতধৰা সভাখনত অধ্যক্ষ ড° সুভাষ বৰ্মনে কয় যে শৈলেনজিৎ শৰ্মাৰ নিজৰ ইচ্ছা আৰু একাগ্ৰতাৰ বাবেই এতিয়ালৈকে ৩৩ খন গ্ৰন্থ, ১০খন পূৰ্ণাংগ নাটক, ১৫খন একাংকিকা নাটক প্ৰকাশ পাইছে। ১০খন অপ্ৰকাশিত নাটক ৰচনা কৰিছে। ইয়াৰে কেবাখনো গ্ৰন্থ কেৱল অসমতে নহয় সৰ্বভাৰতীয় স্তৰত সুনাম লাভ কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। বিশিষ্ট সাহিত্যিক তথা সাংবাদিক দিলীপ শৰ্মাই বৰ্তমানে মহাবিদ্যালয়খনৰ শৈক্ষিক দিশ যথেষ্ট উন্নত হোৱাত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে আজি উন্মোচন কৰা গ্ৰন্থ দুখন উঠি অহা যুৱ প্ৰজন্মৰ যথেষ্ট কামত আহিব বুলি আশা প্ৰকাশ কৰে।